# **ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি বিদ্যালয় কমপ্লেক্স ব্যৱস্থাপনা কমিটি পৰিচালনাৰ বাবে অধ্যক্ষসকলৰ ভূমিকা**(Role of Principals for Management of School Complex Management Committee as per National Education Policy,2020)

নীল শৰ্মা, অৱসৰী অধ্যাপক,

চৰকাৰী বাণীকান্ত কলেজ অফ টিচাৰ ইডুকেচন

**প্ৰস্তাৱনা** (Preamble)- বিদ্যালয়সমূহৰ সঠিক ব্যৱস্থাপনাই ইয়াৰ লক্ষ্যত উপনীত হোৱাৰ অৰ্থে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অৱশ্যেই, সঠিক আৰু ভৱিষ্যদ্ৰষ্টা হিচাপে বিদ্যালয়সমূহৰ প্ৰধানসকলেই হ'ল মূল চালিকা শক্তিস্বৰূপ। যিকোনো এখন বিদ্যালয়ৰ সাৰ্বিক সাফল্যৰ আঁৰত থাকে তাৰ অধ্যক্ষ বা প্ৰধানজন। সেইদৰে, বিদ্যালয় কমপ্লেক্সৰ ভিতৰুৱা বিদ্যালয়সমূহৰ শৈক্ষিক উৎকৰ্ষতা সাধনৰ অৰ্থে চিন্তা-কৰ্মৰ ব্যৱস্থাপনাৰ পৰিকল্পনা কৰোঁতে বিদ্যালয় প্ৰধানসকলে যথেষ্ট সাৱধান হৈ আগবাঢ়িলেহে আকাংক্ষিত ফল লাভ কৰিব পৰা যাব।

আমাৰ বিদ্যালয়সমূহত উপলব্ধ সীমিত সা-সুবিধাসমূহক যথাথভাৱে ব্যৱহাৰ কৰিলে ব্যৱস্থাপনাৰ প্ৰত্যাশিত পদক্ষেপ অনুযায়ী আগবঢ়া হৈছে বুলি ক'ব পৰা যায়।

## **শিকন উদ্দেশ্যাৱলী** (Learning Objectives)

অতি সংক্ষিপ্ত এই মডিয়ুলত দৃষ্টিপাত কৰিলে আপুনি বুজিবলৈ সমৰ্থ হ'ব-

- সঠিক ব্যৱস্থাপনাৰ গুৰুত্ব সম্পৰ্কে অনুধাৱন কৰা,
- বিদ্যালয় কমপ্লেক্সৰ কাৰ্যকাৰিতা বুজি পোৱা,
- সীমিত সমলৰ সদ্ব্যৱহাৰৰ গুৰুত্ব উপলব্ধি কৰা,
- বিদ্যালয় কমপ্লেক্সৰ অংশীদাৰ বিদ্যালয়বোৰৰ প্ৰয়োজন সম্পৰ্কে বুজি তাক কি ধৰণে সমাধান কৰিব পাৰি তাকে অনুভৱ কৰা,
- আৰু, প্ৰৱল ইচ্ছাশক্তিৰ অধিকাৰী হ'লে যে অধ্যক্ষসকলে উমৈহতীয়া উদ্যমেৰে বিদ্যালয়বোৰৰ আপাত কঠিন দিশ বা সমস্যাৰ সমাধান কৰিব পাৰে তাক বুজা।

## **ইয়াত ব্যৱহৃত মূলশব্দবোৰ হৈছে** (Key words used)

শিকন অৰ্হতা, ব্যৱস্থাপনা, নেতৃত্ব, পৰিৱৰ্তন, আকাংক্ষিত আৰু অভিপ্ৰায়।

**উপস্থাপিত উপ-গোটবোৰ হ'ল** (Sub-Units that are whole) – ব্যৱস্থাপনাৰ সাৰবত্তা আৰু উদ্দেশ্য বা লক্ষ্য, অধ্যক্ষসকলৰ পৰিকল্পনা আৰু উদ্যম, সামগ্ৰিক সমস্যাৰ ভিত্তিত সমাধানৰ সন্ধান।

উপ-গোটবোৰ সম্পৰ্কে সংক্ষিপ্তকৈ আলোচনা (Discussion on Sub-Units)

**(ক) ব্যৱস্থাপনাৰ সাৰবত্তা আৰু উদ্দেশ্য বা লক্ষ্য হৈছে(**Meaning and Scope of School Complex Management Committee)- সঠিক ব্যৱস্থাপনাৰ মাধ্যমত আপাতঃজটিল বিষয় বা সমস্যাবোৰ সমাধান কৰিবলৈ কৰা অবিৰত প্ৰয়াস। ইয়াৰ লক্ষ্য হ'ব উমৈহতীয়া স্বাৰ্থনিহিত দিশসমূহ বিচাৰ কৰি কি ধৰণে আগবাঢ়িলে আমি বিদ্যালয়বোৰৰ উন্নতিত সঁহাৰি দিব পাৰিম তাকে পৰিকল্পিতভাৱে তুলি ধৰা।

**(খ) অধ্যক্ষসকলৰ পৰিকল্পনা আৰু উদ্যম**(Planning and Initiatives from the Principals)- এই শিতানত অধ্যক্ষসকলৰ দায়বদ্ধতাসূচক পৰিকল্পনাৰ সামৰ্থ অনুধাৱন কৰা। আমি জানো যে সঠিক সময়ত সঠিক পৰিকল্পনাৰে আগবাঢ়িলে সঠিক ফল লাভ কৰা সম্ভৱ হৈ পৰে।

**(গ) বিদ্যালয়সমূহৰ নিজা নিজা কিছুমান সমস্যা** (Schools have their own Problems) **থাকে**। সেইবোৰ আন্তঃগাঁথনিমূলক হ'ব পাৰে বা সমল ব্যক্তিৰ অভাৱ  আদিও হ'ব পাৰে। এই ক্ষেত্ৰত অধ্যক্ষ বা বিদ্যালয় প্ৰধানসকলে মুকলিমনেৰে বহি বা পৰিকল্পনা কৰি উৎসসমূহৰ বিনিময়ৰ মাধ্যমত এখনে আনএখনক সমৃদ্ধ কৰিব পাৰে।ইয়াৰ অৰ্থে সহায়ৰ হাত আগবঢ়োওৱা আৰু সাৰ্বিক দায়বদ্ধতাই হ'ল মূল কথা।

প্ৰতিটো উপ-গোট বিশেষ একোটা দিশক প্ৰতিনিধিত্ব কৰা পৰিলক্ষিত হৈছে। **উদাহৰণস্বৰূপে** (For Examples)-

'ক' উপগোটে অধ্যক্ষসকলৰ সামূহিক স্বাৰ্থৰ অৰ্থে ব্যৱস্থাপনাৰ দিশক আগবাঢ়োঁতে নিজৰ লগতে আনকো উপকাৰ সাধনত ব্ৰতী হোৱা সম্ভৱ হ'ব।

'খ' উপগোটত আকৌ অধ্যক্ষসকলে কিয় পৰিকল্পিতভাৱে কৰ্মৰাজি সংযুক্ত হৈ অন্তৰতম উদ্যম দেখুওৱাৰ আৱশ্যকতা বিদ্যমান তাকে উপলব্ধি কৰা উচিত। সামাজিক দায়বদ্ধতাৰ আলোকত ধীৰ-স্থিৰ গুণাধিকাৰী বিদ্যালয়প্ৰধানে সীমিত সা-সুবিধাকো এক পৰিকল্পিত ব্যৱস্থাপনাৰ জৰিয়তে ব্যাপক সাফল্যৰ ৰূপ দিব পাৰে।

'গ' উপ-গোটৰ মূল বক্তব্য হ'ল শৈক্ষিক বা ভাবাদৰ্শৰ সমলসমূহক স্ববিদ্যালয়তে সীমিত নাৰাখি প্ৰয়োজনবোধে আন বিদ্যালয়লৈ সম্প্ৰসাৰিত কৰাৰ উদাৰনীতি গ্ৰহণ কৰা, অৰ্থাৎ দক্ষ বা অতিদক্ষ শিক্ষকসকলক ভিন্ন বিদ্যালয়ত শিক্ষাদানৰ সুযোগ দিয়া আৰু তাৰ জৰিয়তে পাৰদৰ্শিতা বিনিময়ৰ এক পৰম্পৰা সৃষ্টি কৰি তাক ব্যৱস্থাপনাৰ উপাদান হিচাপে গণ্যকৰা।

এইখিনিতে উল্লেখনীয় যে কিছুমান বিশেষ ধৰণৰ প্ৰক্ৰিয়াৰে অধ্যক্ষসকলে ব্যৱস্থাপনাৰ লক্ষ্যক অভিপ্ৰেত ধৰণে আগবঢ়াই নিব পাৰে। উদাহৰণস্বৰূপে, অধ্যক্ষ গৰাকীয়ে আন বিদ্যালয়ৰ অধ্যক্ষ এগৰাকীক তেখেতৰ আৱশ্যকীয় দিশ সম্পৰ্কে সুধিব পাৰে আৰু সহায়ৰ হাত আগবঢ়াবলৈ যে তেখেত সৰ্বদা সাজু তাকো জনাব পাৰে। নমুনাৰূপে, কওকচোন মই আপোনাক বা আপোনাৰ অনুষ্ঠানক কি ধৰণে সহায় কৰিব পাৰোঁ ? বা আমাৰ বিদ্যালয়ত তিনিগৰাকী পাৰদৰ্শী শিক্ষক আছে, তেওঁলোকৰ সেৱা আপোনাৰ বিদ্যালয়ত আৱশ্যকীয় নেকি ? অথবা আমাৰ বিদ্যালয়ত কিছু মনোগ্ৰাহী শিক্ষণ সঁজুলি মজুত আছে, আপোনাৰ বিদ্যালয়ে তাৰে কিছু নি তাৰ সদ্ব্যৱহাৰ কৰিব পাৰে। ইত্যাদি

এইদৰে নিজৰ বিদ্যালয়খনৰ লগতে আন বিদ্যালয়ৰ সমস্যাসমূহ বুজি, পাৰস্পৰিক সহযোগিতাৰ মাজেৰে সকলো বিদ্যালয়ক এক অভিপ্ৰেত মানলৈ উত্তৰিত কৰাৰ মানসেৰে কৰা পৰিকল্পনা কাৰ্যই হ'ল অধ্যক্ষসকলৰ পালনীয় ভূমিকা।

**সামৰণি** (Conclusion)- ব্যৱস্থাপনাৰ যথোপযুক্ত কৌশলে বিদ্যালয়সমূহে মুখামুখি হৈ থকা সমস্যাবোৰ সমাধানত সহায় কৰে। ইয়াৰ বাবে আৱশ্যক অধ্যক্ষসকলৰ নিৰন্তৰ পৰিকল্পনা আৰু আনক অভিৰোচিত কৰাৰ নিৰলস প্ৰচেষ্টা। অভিপ্ৰায় যদি সৎ হয় তাক বাস্তৱায়িত কৰাৰ উপায় অৱধাৰিতৰূপে আগমন ঘটে। কল্যাণমুখী চিন্তাই হ'ল তাৰ মূলাধাৰ।

এতেকে,বিদ্যালয়প্ৰধান সকলে নিজৰ সমস্যাসমূহ আনৰো সমস্যা হ'ব পাৰে বুলি উপলব্দি কৰি তাক সমাধান কৰাৰ একান্ত অভিপ্ৰায় বুলি গণ্য কৰা কাম্য।

**সম্বন্ধীয় পাঠ্যপুথি/লিংক (Reference)**


1) National Education Policy 2020, MHRD, GOI
2) Online Modules on School Leadership & Development
3) Improving School Governance - Meeta Sengupta